# India strongly condemns the heinous terror attack on a Gurudwara in Kabul today

March 25, 2020

---

## কাবুলত আজি গুৰুদ্বাৰাৰ ওপৰত হোৱা বৰ্বৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক ভাৰতবৰ্ষই কঠোৰ ভাষাৰে নিন্দা কৰিছে

মাৰ্চ 25, 2020

সন্ত্ৰাসবাদী আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ আমি গভীৰ সমবেদনা জ্ঞাপন কৰিছোঁ আৰু এই আক্ৰমণত আঘাতপ্ৰাপ্ত হোৱা লোকসকলৰ শীঘ্ৰে আৰোগ্যতা কামনা কৰিছো। আফগানিস্থানত থকা হিন্দু আৰু শিখ সম্প্ৰদায়ৰ লোকসকলৰ ক্ষতিগ্ৰস্ত হোৱা পৰিয়ালসমূহক সকলো যথাসাধ্য সহায় আগবঢ়াবলৈ ভাৰত সাজু।

লঘু সম্প্ৰদায়ৰ লোকসকলৰ ধৰ্মীয় স্থানসমূহত কৰা এনে কাপুৰুষালিভৰা আক্ৰমণে, বিশেষকৈ ক'ভিড-১৯ৰ সময়ছোৱাত, দুষ্কৃতিকাৰী আৰু এইবোৰৰ সমৰ্থকসকলৰ চয়তানসুলভ মনৰ পৰিচয় দিয়ে।

আমি আফগান নিৰাপত্তাৰক্ষীৰ নিৰ্ভীক দলসমূহক এই আক্ৰমণৰ প্ৰতি দেখুওৱা তেওঁলোকৰ সাহসিক প্ৰতিক্ৰিয়াৰ বাবে আৰু আফগান নাগৰিকসকলক আৰু দেশখনক সুৰক্ষিত কৰাৰ আগবঢ়োৱা নিদৰ্শনমূলক বীৰত্ব আৰু নিষ্ঠাক ধন্যবাদ আৰু প্ৰশংসা জনাইছো।

দেশখনলৈ আনিবলৈ বিচৰা শান্তি আৰু নিৰাপত্তাৰ পৰিবেশৰ বাবে আফগান নাগৰিক, চৰকাৰ আৰু সুৰক্ষা দলৰ সৈতে ভাৰতবৰ্ষই ঐক্যবদ্ধভাৱে থিয় দিছে।

**নতুন দিল্লী**
**মাৰ্চ 25, 2020**

DISCLAIMER : This is an approximate translation. The original is available in English on MEA’s website and may be referred to as the official press release.